অসম বিধান সভা, ২০১৭
তৰাবিহীন প্ৰশ্ন নং : ১৩৮
উত্তৰ দানৰ তাৰিখ : ০৬-০৯-২০১৭
বিষয় : ৰবি শস্য
বিধায়কৰ নাম : শ্ৰীপবিন্দ্ৰ ডেকা :

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) সাম্প্ৰতিক প্ৰলয়ংকাৰী বানপানীয়ে বিধ্বস্ত কৰা ৰাজ্যখনত ৰবিশস্যৰ খেতি কৰাৰ বাবে চৰকাৰে আঁচনি যুগুত কৰিছে নে ?

(খ) যদি কৰিছে, ৰাজ্যখনৰ কিমান হেক্টৰ মাটিত ৰবিশস্যৰ খেতি কৰাৰ আঁচনি লৈছে ?

(গ) এনেভাবে লোৱা আঁচনিত কি কি ৰবিশেস্যৰ খেতি কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে ?

<u>উত্তৰ</u>

মাননীয় কৃষি মন্ত্ৰী শ্ৰী অতুল বৰা মহোদয়ে উত্তৰ দিব ।

(ক) হয়, কৰা হৈছে।

(খ) কৃষি বিভাগে বানপানীৰ আগতেই ৰাজ্যিক অগ্ৰাধিকাৰ ভিত্তিৰ আঁচনিৰ অৰ্ন্তগত প্ৰাকৃতিক দুৰ্যোগ ও প্ৰশমন আঁচনিৰ জৰিয়তে বানাক্ৰান্ত খেতিয়কৰ মাজত শালিধানৰ কঠিয়া বিতৰণ লক্ষ্যৰে মুঠ ৭০০(সাঁতশ) হেক্টৰ মাটিকালিত সমূহীয়া কঠিয়াতলী প্ৰস্তুত কৰা হৈছিল। ৰাইজৰ সহযোগত কৃষক সকলে সমূহীয়া কঁঠিয়াতলীৰ পৰা বাৰুকৈয়ে সকাহ পাইছে। চৰকাৰে বানপানীৰ পিছত বিভিন্ন কেন্দ্ৰীয় আচঁনিৰ জৰিয়তে বিভিন্ন ধৰণৰ বীজ আৰু কৃষি সজুলী যোগানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ঠিৰাং কৰিছে।
তাৰোপৰি ক্ষতিগ্ৰস্ত কৃষক সকলক নিজাববীয়াকৈ আৰ্থিক সাহায্য দিয়াৰ বাবে সংশ্লিষ্ট উপায়ুক্তৰ জৰিয়তে জিলা কৃষি বিষয়াৰ সহযোগত হিতাধিকাৰীৰ তালিকা প্ৰস্তত কৰিবলৈ নিৰ্দ্দেশনা দিয়া হৈছে।

(গ) এনেভাৱে লোৱা আচঁনি সমূহৰ জৰিয়তে প্ৰধানকৈ মাহজাতীয় শস্য- মাটিমাহ, মটৰমাহ, মাকৈ,আলু, শাক-পাচলিৰ বীজ, সৰিয়হ, বাদাম আৰু বড়োখেতি আগন্তক ৰবি শস্যৰ খেতি কৰাত গুৰুত্ব দিয়া হব।